(ii) স্থগিত দেনা-পাওনাৰ ... সকলোৱে গ্ৰহণ ...

আৰু মূল্য জোখৰ একক হিচাপে সকলোৱে গ্ৰহণ ... বিনিময়ৰ মাধ্যম হিচাপে যেনেকৈ ...
পাওনাৰ একক প্ৰতিনিধিত্ব কৰে। মুদ্ৰাই বিনিময়ৰ মাধ্যম হিচাপে যেনেকৈ লেনদেনৰ কাৰ্য্যও সমাধান কৰে। কিন্তু ভৱিষ্যৎ...
ই স্থগিত দেনা-পাওনাৰ আহিলা হিচাপে ভৱিষ্যতৰৰ ঋণ লেনদেনৰ কাৰ্য্যও সমাধান কৰে। কিন্তু ভৱিষ্যতৰ ঋণ লেনদেনৰ ক্ষেত্ৰত মুদ্ৰাৰ মূল্য সময়ৰ লগে লগে স্থিৰে থাকিব লাগিব। যদি সময়ৰ লগে...
দেনা-পাওনাৰ লেনেদেনৰ ক্ষেত্ৰত মুদ্ৰাৰ মূল্য সময়ৰ লগে লগে স্থিৰে থাকিব লাগিব। যদি সময়ৰ লগে মুদ্ৰাৰ মূল্য বৃদ্ধি পায় (অৰ্থাৎ দৰস্তৰ হ্ৰাস পায়), তেনে ক্ষেত্ৰত ইয়ে ঋণ দিওতাজনক লাভান্বিত কৰি... আৰু ঋণীজন লোকচানৰ সন্মুখীন হ'ব। আনহাতে যদি মূল্য-মূল্য হ্ৰাস পায় (অৰ্থাৎ মূল্যস্তৰ বৃদ্ধি পায়) ই... ঋণীজনক লাভান্বিত কৰিব আৰু ঋণ দিওতাজন লোকচানৰ সন্মুখীন হ'ব।

সাধাৰণতে, অন্যান্য দ্ৰব্যৰ তুলনাত মুদ্ৰাৰ মূল্য স্থিৰে থাকে। গতিকে স্থগিত দেনা-পাওনাৰ ক্ষেত্ৰত সন্মুখী... হোৱাৰ কাৰণ নাই। মুদ্ৰাৰ এই কাৰ্য্যই ঋণ লেনদেন কাৰ্য্য সুবিধাজনক কৰি তুলিছে। গতিকে বৰ্তমান সময়... মুদ্ৰাৰ এই কাৰ্য্য অতি গুৰুত্বপূৰ্ণ।

(iii) **মূল্য হস্তান্তৰ** (Transfer of Value) **:** মুদ্ৰাই মূল্য হস্তান্তৰৰ আহিলা হিচাপেও কাৰ্য্য সম্পাদন কৰে। মুদ্ৰা... জৰিয়তে সহজে আৰু খৰতকীয়াভাৱে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ মূল্য হস্তান্তৰ কৰিব পাৰি। কাৰণ... মুদ্ৰা যিকোনো ঠাইত যিকোনো ব্যক্তিয়ে গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে, এক লাখ টকা বেংক ড্ৰাফট... জৰিয়তে অমৃতচৰৰৰ A নামৰ ব্যক্তিজনৰ পৰা মুম্বাইৰ B নামৰ ব্যক্তিজনলৈ হস্তান্তৰ কৰা অতি সহজ কিন্তু... দ্ৰব্য সামগ্ৰীৰ ক্ষেত্ৰত এনে হস্তান্তৰ কষ্টসাধ্য। তাৰোপৰি এখন ঠাইৰ বাহি বা উদ্বৃত মূলধন আন ঠাই... প্ৰয়োজন অনুসৰি বিনিয়োগ সম্ভৱ হৈছে মূল্য হস্তান্তৰৰ কাৰণে। মূলধনৰ আন্তৰ্জাতিক গতিশীলতাৰ ধাৰ... সম্ভৱ হোৱাৰ মূল কাৰণ হ'ল মুদ্ৰা মূল্যৰ হস্তান্তৰ কাৰ্য্যৰ বহুল প্ৰয়োগ।

## 3. মুদ্ৰাৰ আনুসংগিক কাৰ্য্যাৱলী (Contingent functions of Money) ঃ

মুদ্ৰাৰ এই কাৰ্য্যাৱলী সমূহ সমাজত প্ৰচলিত কোনো বিশেষ অৰ্থনৈতিক পৰিস্থিতিত কাৰ্য্যকৰী হয়। এই কাৰ্য্যাৱলী সমূহ তলত উল্লেখ কৰা ধৰণে বিশ্লেষণ কৰিব পাৰি।

(i) **মূলধনৰ তৰলতা** (Making Capital Liquid) **:** মুদ্ৰাৰ সঞ্চিত ভঁৰালে মূলধনৰ যোগান ধৰে। বৰ্তমানৰ আৰ্থিক ব্যৱস্থাত উৎপাদনৰ উপাদান সমূহ ক্ৰয় বা ভাড়াৰৈ আনি উৎপাদন কাৰ্য্য পৰিচালনা কৰা হয়। এইটো সম্ভৱ কেৱল মূলধনৰ তৰলতা গুণৰ বাবে। অংশপ্ৰত্ৰৰ গৰাকীয়ে তেওঁলোকৰ মূলধন, মুদ্ৰা ৰূপত

কোম্পানীত বিনিয়োগৰ চুক্তি সম্পাদন কৰে। ইয়াৰ বিনিময়ত তেওঁলোকে একে ৰূপত লাভাংশ অৰ্জন কৰে।

(ii) **জাতীয় আয় বিতৰণ** (Distribution of National Income) **ঃ** মুদ্ৰাই জাতীয় আয় বিভিন্ন শ্ৰেণীৰ মাজত বিতৰণ সম্ভৱ কৰি তোলে। এখন দেশৰ জাতীয় আয় যৌথভাৱে বিভিন্ন শ্ৰমিক, ভূমিৰ গৰাকী, গৰাকী আৰু উদ্যোক্তাই উৎপাদন কৰে। ইয়াৰ বিনিময়ত উৎপাদনৰ উপাদান সমূহৰ মাজত জাতীয় আয় বিতৰণ কৰা হয়। গতিকে মুদ্ৰাই জাতীয় আয় মজুৰি, খাজনা, সুদ আৰু লাভৰ ৰূপত বিতৰণত সহায় কৰে।

(iii) **ঋণ-ব্যৱস্থাৰ ভিত্তি** (Basis for credit system) **ঃ** বৰ্তমান সময়ত বিভিন্ন ঔদ্যোগিক আৰু ব্যৱসায়িক কাম-কাজ ঋণৰ ওপৰত নিৰ্ভৰ কৰে। ব্যক্তিয়ে তেওঁলোকৰ সঞ্চিত মুদ্ৰা বেংকত জমা ৰাখে আৰু এই সঞ্চয়ৰ ওপৰত ভিত্তি কৰি বেংকে ঋণ মুদ্ৰা সৃষ্টি কৰে।

(iv) **উৎপাদনৰ উপাদান সমূহৰ কাৰ্য্যদক্ষতা বৃদ্ধি** (Raising efficiency of various factors of Production) **ঃ** উৎপাদনৰ উপাদান সমূহৰ একাধিক গোটৰ সংমিশ্ৰনত উৎপাদন কাৰ্য্য সম্ভৱ কৰি তোলা হয়। উপাদান সমূহৰ পৰা আকাংঙ্খিত উৎপাদন লাভ কৰিবলৈ সম্পূৰ্ণ পাৰিশ্ৰমিক পৰিশোধ কৰিব লাগিব। এই কাৰ্য্য সম্ভৱ হৈছে কেৱল মুদ্ৰা ব্যৱহাৰৰ কাৰণে।


(v) **সৰ্ব্বাধিক সন্তুষ্টি** (Maximinsation of Satisfaction) **ঃ** মুদ্ৰাই উৎপাদনকাৰী আৰু উপভোক্তা সকলক লাভ আৰু সন্তুষ্টি সৰ্ব্বাধিক কৰাত সহায় কৰে। এজন ভোক্তাই তেওঁৰ আয় বিভিন্ন দ্ৰব্য-সামগ্ৰীত এনেদৰে ব্যয় কৰে যাতে প্ৰত্যেকটো দ্ৰব্য ভোগৰ জৰিয়তে সৰ্ব্বাধিক সন্তুষ্টি লাভ কৰিব পাৰে। সৰ্ব্বাধিক সন্তুষ্টি লাভৰ ক্ষেত্ৰত ভোক্তাজনে প্ৰত্যেকটো দ্ৰব্যৰ দাম আৰু প্ৰত্যেকটো দ্ৰব্যৰ পৰা লাভ কৰা প্ৰান্তিক উপযোগিতাৰ মাজত সমতা স্থাপন কৰে। একেদৰে, উৎপাদনকাৰী এজনৰ লক্ষ্য হ'ল দ্ৰব্য উৎপাদনৰ জৰিয়তে সৰ্ব্বাধিক লাভ আহৰণ কৰা। লাভ সৰ্ব্বাধিকৰ বাবে উৎপাদনকাৰী এজনে এক একক উপাদানৰ প্ৰান্তিক উৎপাদনশীলতা (Marginal Productivity) ৰ সৈতে উপাদানটোৰ দৰৰ মাজত সমতা স্থাপন কৰে।

গতিকে, চমুকৈ মুদ্ৰাৰ বিভিন্ন কাৰ্য্যাৱলী সমূহ তলত উল্লেখ কৰা ধৰণে দেখুৱাব পাৰি।

Money is a matter of functions four
A medium, a measure, a standard, a store,
As this does not complete the picture,
We may add transferability more.

**Table-1**

**মুদ্ৰাৰ কাৰ্য্যাৱলী**
(Functions of Money)




3.4 **মুদ্ৰাৰ পৰিমাণ তত্ব** (Quantity Theory of Money) ঃ যোল্লশ শতিকাত এগৰাকী ইটালিয়ান লেখক ডাভানজেটি (Davanzatti) য়ে প্ৰথমে মুদ্ৰাৰ পৰিমাণ তত্ব আগবঢ়ায়। তেওঁ উল্লেখ কৰা তত্বৰ মতে, মুদ্ৰাৰ মূল্য আৰু পৰিমাণৰ মাজৰ সম্পৰ্ক বিপৰীতমুখী। এফ. ডব্লিউ. টাচিঙে (F.W. Taussing) তেওঁৰ গ্ৰন্থ "Principles of Economics" ত উল্লেখ কৰিছে যে, মুদ্ৰাৰ পৰিমাণ যদি দুগুণলৈ বৃদ্ধি হয় আৰু অন্যান্য অৱস্থা সমূহ স্থিৰে থাকে, তেনেহ'লে দৰবস্তৰ পূৰ্ব্বৰ দুগুণলৈ বৃদ্ধি পাব আৰু মুদ্ৰা মূল্য আধালৈ হ্ৰাস পাব। যদি মুদ্ৰাৰ পৰিমাণ আধাত থাকে আৰু অন্যান্য অৱস্থাসমূহ স্থিৰে থাকে, তেনেহ'লে দৰবস্তৰ পূৰ্ব্বৰ আধালৈ হ্ৰাস পাব আৰু মুদ্ৰাৰ মূল্য দুগুণলৈ বৃদ্ধি হ'ব।

"Double the quantity of Money and other things being equal, price will be twice as high as before and the value of money one-half. Halve the quantity of money and other things being equal, price will be one-half of what they were before and the value of money double"- F.W. Taussing